# ইছলাম ধৰ্মত স্বাধীনতা, সমানতা আৰু ভাতৃত্ব।

স্বাধীনতা হ'ল এটা সুন্দৰ প্ৰকৃতিক উপাদান ইয়াৰ সৈতে আল্লাহে মানুহক সৃষ্টি কৰিছে। ই হ'ল মানুহৰ প্ৰকৃতিক অধীকাৰ গতিকে শক্তিশালী হাতেৰে নিজৰ অধীকাৰ ৰক্ষা কৰা নিজৰেই কৰ্তব্য। ইছলামে স্বাধীনতাৰ কথা ঘোষণা কৰিছে কাৰণ মানুহৰ সন্মানজনক জীৱনৰ বাবে ই হৈছে মৌলিক আধাৰ।

ইছলামে ধৰ্ম, ৰাজনীতি আৰু বৌদ্ধিক ক্ষেত্ৰত স্বাধীনতা লাভ কৰাৰ বাবে যত্ন কৰিছে। জীৱনৰ প্ৰতিটো দিশতে, মানুহে কৰিব বিচৰা সকলো বিষয়তে আৰু মানুহে বনাব বিচৰা সকলো নীতিতে ইছলামীয়া আইনে স্বাধীনতা নিৰ্ধাৰণ কৰি দিছে। কোৰানৰ যিটো আয়াতৰ দ্বাৰা স্বাধীনতাৰ কথা নিৰ্ধাৰণ কৰা হৈছে সেয়া হৈছে আল্লাহৰ বাণীঃ “ধৰ্মত কোনো ধৰণৰ বাধ্যকতা নাই”

ইয়াৰ ওপৰি ইছলামে সমান ভাবে মানুহ কৰ্তব্য আৰু অধীকাৰ প্ৰদান কৰিছে। গতিকে মানৱ জাতি এটাই। এই পৃথিৱী হ'ল আল্লাহৰ পৃথিৱী গতিকে ইয়াত একেলগে বাস কৰি আছে শ্ৰমিক, কৃষক, নেতা, শাসক, সৰু আৰু ডাঙৰ। কোৰানত আছে যে আল্লাহৰ ওচৰত সেইজনেই আটাইতকৈ সন্মানীয় যিজন আটাইতকৈ বেছি পৰহেজগাৰ। আৰু হাদিছত আছে যে আল্লাহে তোমাৰ শৰিৰলৈ আৰু গঠনলৈ নাচায় কিন্তু তেওঁ তোমালোকৰ অন্তৰলৈহে চায়।

গতিকে আৰবীয়ান, অনাআৰবীয়ান, ব'গা, ক'লা, শাসক, শ্ৰমিক সকলোৱেই হ'ল মানুহ। পুৰুষৰ মহিলাৰ ওপৰত কোনো ধৰণৰ প্ৰভুত্ব নাই। তেওঁলোক আটাইয়ে হৈছে আল্লাহৰ দাস। ইছলামে এই কথা গ্ৰহণ নকৰে যে মানুহ এজন আন মানুহৰ চৰদাৰ হওক। ইছলামে এই কথাও গ্ৰহণ নকৰে যে এটা জাতীয়ে আন এটা জাতীৰ সম্ৰাট হওক। আমৰ বিন আলআছৰ লগত মিছৰ বাসীৰ ঘটনা আৰু বিখ্যাত ওমৰ বিন আলখাত্তাবৰ কথা ইতিহাসত উল্লোখ আছে যে “তোমালোকে কেতিয়াৰ পৰা মানুহক দাস বনাইছা অথচ তেওঁলোকৰ মাতৃয়ে তেওঁলোকক স্বাধীন হিচাপে জন্ম দিছিল। ইছলামে জাতি জনগোষ্ঠিৰ মাজত প্ৰকৃতিক ভাতৃত্ব লাভ কৰাৰ বাবে কাম কৰি গৈছে আৰু তেওঁলোকৰ মাজত একতাৰ বাবে কাম কৰি গৈছে। ‘মুমিন সকল ভাই ভাই’ পৃথিৱীৰ সকলো দিশ আৰু সকলো ঠাইত মুছলমান মুছলমানৰ ভাই কাৰণ এই গোটেইখিনি হৈছে আল্লাহৰ দেশ।